## ॥ সম্পাদনা সমিতি ॥

অধ্যক্ষ যতীন্দ্ৰ চন্দ্ৰ নাথ, সভাপতি

অধ্যাপক বসন্ত দত্ত

অধ্যাপক দিলীপ দাস

অধ্যাপক খগেশ সেন ডেকা

ভাৰপ্ৰাপ্ত অধ্যাপক মৃগেন্দ্ৰ কুমাৰ শৰ্মা

সম্পাদক, ধীৰেন্দ্ৰ কুমাৰ চৌধুৰী

হংসধৰ দৈমাৰী

মুদ্ৰক ঃ—

শ্ৰীকৃষ্ণ প্ৰিণ্টিং প্ৰেছ, বাকো।

# : শুভেচ্ছা বাণী :

**শ্ৰীলক্ষ্মাধৰ চৌধুৰী**
শিক্ষা আৰু সাংস্কৃতিক বিভাগৰ মন্ত্ৰী, অসম।
তাং— ২৫।১।৭৮

বকো অঞ্চলত অৱস্থিত জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ মুখপত্ৰ 'জৱাহৰ জ্যোতি'ৰ চতুৰ্থ সংখ্যা প্ৰকাশ কৰিবলৈ আয়োজন কৰা বুলি জানিব পাৰি মই সন্তোষ পাইছোঁ আৰু এনে সজ প্ৰচেষ্টাৰ বাবে বিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক ধন্যবাদ জনালোঁ।

'জৱাহৰ জ্যোতি'ৰ উত্তৰোত্তৰ বৃদ্ধি কামনা কৰিলোঁ আৰু ইয়াৰ অবিৰত প্ৰকাশে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ জ্ঞান বিকাশত সহায় কৰিব বুলি আশা ৰাখিলোঁ।

স্বাক্ষৰ/
শ্ৰীলক্ষ্মাধৰ চৌধুৰী
২৫।১।৭৮

Jawaharlal Nehru College ... BOKO

# পাতনিতে বোৱালোঁ অশ্রুধাৰ----

যি সকল মহান ব্যক্তিৰ বিয়োগত আমাৰ সাহিত্য, সংস্কৃতি আৰু সমাজৰ অপূৰণীয় ক্ষতি হ'ল, যি সকলে আমাক ইতিহাস ৰচনাৰ প্ৰেৰণা দি গ'ল, সেইসকল মহান ব্যক্তিৰ মৃত্যুত আমি বোৱালোঁ শত অশ্ৰুধাৰ------।

(০) "মৃত্যুক সাৱটি সমাধি তলিত অকলে আছোঁহি শুই।" সঁচাকৈয়ে আমাক চিৰদিনৰ কাৰণে কন্দুৱাই গুচি গ'ল, সুৰ শিল্পী, সংগীত পৰিচালক জয়ন্ত হাজৰিকা।

(০) অসমৰ মহিলা কবি, শ্ৰদ্ধেয়া আইতা পদ্মশ্ৰী নলিনী বালা দেৱী।

(০) অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বাগ্মীবৰ ককা নীলমণি ফুকন।

(০) আজীৱন সাহিত্যিক অধ্যক্ষ গিৰিধৰ শৰ্মা।

(০) 'আৱাহন' খ্যাত, সাংবাদিক সাহিত্যিক দীননাথ শৰ্মা।

(০) ঢোলৰ যাদুকৰ মঘাই ওজা।

এই মহান ব্যক্তিসকললৈ আমাৰ হিয়া ভৰা শ্ৰদ্ধা আৰু ভক্তি থাকিল। তেওঁলোকৰ আদৰ্শই বিশ্বৰ শান্তি আৰু প্ৰগতিৰ পথত আমাৰ সকলোকে অনুপ্ৰাণিত কৰক—এয়ে আমাৰ একমাত্ৰ কামনা।

# এই সংখ্যাত আছেঃ—

ঃ কবিতা ঃ

।। পুৱতি নিশাৰ সপোন ।। চলমান ।। উপলব্ধি ।। তোমাৰ, মোৰ আৰু সিহঁতৰ ।। শ্মশানত ।। উপলব্ধি ।। ভিয়েটনামৰ কবিতা ।। সিহঁত ।। সম্রাট । শুনা সেয়া কালৰ সংবাদ ।। নতুন দিগন্ত ।। মোৰ মন ।। চিৰন্তন ।। ছুটি খণ্ড কবিতা ।

ঃ লিখিছে ঃ

।। প্ৰবীণ ৰাভা ।। মহেন্দ্ৰ কুমাৰ দাস ।। আনন্দ চন্দ্ৰ দাস । বসন্ত দত্ত ।। দধীমোহন মজুমদাৰ । মিনা দুৱৰা ।। খগেশ সেন ডেকা ।। হংসধৰ দৈমাৰী ।। কামিনী মোহন শৰ্মা ।। নিৰুপমা চৌধুৰী ।। মঞ্জুলা দাস ।। লক্ষী দাস । অৰুণ ৰাভা ।।

ঃ গীত ঃ

।। দুটি গীত ।। দুটি গীত ।।

ঃ ভাৰত চৌধুৰী ঃ ধীৰেণজিৎ কলিতা ঃ

ঃ গল্প ঃ

।। শেতা হাঁহি ।।

।। অনিল কুমাৰ ৰাভা ।।

ঃ প্ৰবন্ধ ঃ

।। ৰকো অঞ্চলৰ সুৱথি উৎসৱ ।। এখন মুকলি চিঠি ।। ভিন্‌চেণ্ট ভেন্‌গগৰ জীৱনত নাৰী ।। বাস্তৱৰ আদৰ্শবাদ ইয়াৰ উৎপত্তি ।।

।। ধ্ৰুৱজ্যোতি চৌধুৰী ।। আনন্দ চন্দ্ৰ দাস ।। পবিত্ৰ ঠাকুৰীয়া ।। মজিবৰ ৰহমান ।।

লিপিচিত্ৰ—

: ভ্ৰমণ কাহিনী :

॥ উত্তৰ ভাৰতত এভুমুকি ॥ ॥ অৰ্জুন বড়ো ॥

: সম্পাদকীয় :

: প্ৰতিবেদন সমূহ :

: মহাবিদ্যালয়ৰ বছৰেকীয়া সপ্তাহ উপলক্ষে পতা বিভিন্ন বিষয়ৰ প্ৰতিযোগিতাৰ ফলা :—

: Appendix :

: Members On The Teaching Staff :

: The Office Staff :

: Graduates of the year :

# পুঁৱতি নিশাৰ সপোন

প্ৰবীণ ৰাভা
২য় বাৰ্ষিক, প্ৰাক্ বিশ্ববিদ্যালয়

বাৰণাৱত নগৰ
জতুগৃহত জুই
কেৱল জুই।
দীঘল দীঘল
ৰক্তৰঙা জিভা মেলি
লেলাউটি সামৰি
সিহঁতে হাঁহিছে
কেৱল হাঁহিছে

হঠাৎ............
হুৰুসাই সিহঁত পৰি গ'ল
পৃথিবীৰ বুকুত
এটা শতেক পুৰণি
এন্দুৰৰ গাতত ঃ

ইঁহিবোৰ থমকি ৰ'ল
চকুবোৰ থিয় হৈ ৰ'ল
জুইবোৰ জিভা মেলি থমকি ৰ'ল
পলাল কৌৰৱৰ দল।

ৰাজপথত --
পঞ্চ পাণ্ডৱ
আৰু
বি-ৰা-ট জনতাৰ সমদল।
সিহঁতৰ হাতৰ মুষ্টিত
উৰিছে কপৌ এহালি হৈ
বিজয় ধ্বজা।

এটা উদ্দীপ্ত নতুন সূৰ্য
আৰু
এখনি বহল নীলাকাশ।

# ।। চলমান ।।

(১)

মই সুধিলোঁ

নাটঘৰৰ ভাওনা কেনে ?

ভাৰবীয়াবোৰে আগবঢ়াই দিলে,

চকুলোৰে তিতি থকা হাতবোৰহে !

(২)

উন্মাদ জনতাই ঘেৰাও কৰা

ঘৰটোৰ দুৱাৰ খিড়িকীবোৰ ৰুদ্ধ।

ভিতৰত এক নৱজাত শিশুৰ ক্ৰন্দন।

(৩)

ৰাস্তাৰ ওপৰত ইমানবোৰ মানুহ।

নৰ্দমাত এটি মৰা শ।


মহেন্দ্ৰ কুমাৰ দাস

১ম বাৰ্ষিক, প্ৰাক্ বিশ্ববিদ্যালয়।

# প্ৰবন্ধ

# বকো অঞ্চলৰ সুৰৰী উৎসৱ
## এটি পৰ্য্যালোচনা

ধ্ৰুৱজ্যোতি চৌধুৰী।
প্ৰথম বাৰ্ষিক, স্নাতক।

প্ৰাচীন কালৰ পৰা ধৰ্মাৰণ্য ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্ত যেনেকৈ হিন্দু ধৰ্মৰ মহান জ্যোতিৰে উদ্ভাষিত হৈ আহিছে, ঠিক তেনেকৈ সেই ধৰ্মক কেন্দ্ৰ কৰি ভাৰতৰ বিভিন্ন ঠাইত বিভিন্ন সময়ত নানা ব্ৰত উৎসৱৰো উৎপত্তি হৈ আহিছে। এইবোৰৰ জৰিয়তে মানুহৰ মন ধৰ্মৰ ফালে ধাবিত হোৱাৰ উপৰিও এইবোৰে মানুহৰ মনত অনাবিল আনন্দৰ খোৰাক যোগাইছে। কিছুমান উৎসৱ সৰ্বভাৰতীয় আৰু কিছুমান আঞ্চলিক। আঞ্চলিক উৎসৱ হিচাপে দক্ষিণ কামৰূপ অঞ্চলত প্ৰচলিত "সুৰৰি" উৎসৱটি বকো অঞ্চলত কেনেদৰে উদ্‌যাপন কৰা হয় আৰু ইয়াত কেনেদৰে থলুৱা কৃষ্টি প্ৰদৰ্শন কৰি আনন্দমুখৰ কৰে সেই বিষয়ে আলোচনা কৰা হ'ল।

"সুৰৰি" বা "সৰি" শব্দটো সংস্কৃত 'স্মৃ' ধাতুৰ পৰা ওলোৱাটো সম্ভৱ। ইয়াৰ অৰ্থ স্মৰণ কৰা। দৌল উৎসৱৰো শেষৰ দিনক "সুৰৰি" বোলে। "সুৰৰি উৎসৱৰ দৰে উত্তৰ কামৰূপতো "ভঠেলি" নামে এটি উৎসৱ ৰহাগ মাহত পালন কৰে। সুৰৰী উৎসৱ কোনো কোনো ঠাইত বহাগৰ সাত বিহুত, কোনো ঠাইত দধিমথনৰ আঠ দিনৰ পিচত পথাৰৰ মাজত বা নৈৰ পাৰত পালন কৰা হয়। এই উপলক্ষে নিৰ্দিষ্ট ঠাইত বাঁহৰ চাত পুতি তাৰ কাষত দ'তি কাষৰীয়া গাঁৱৰ গোসাঁইৰ বিগ্ৰহ সমূহ আসনেৰে সৈতে আনি স্থাপন কৰা হয়। অগণন ভক্তিপ্ৰাণ মাইজনৰ সমাবেশত ঠাই ডোখৰ তীৰ্থক্ষেত্ৰ যেন লগা হয়।

উৎসৱ স্থলীত এখন ডাঙৰ মেলা বহে আৰু এই মেলা দুপৰীয়াৰ পৰা সন্ধিয়ালৈকে চলে। ইয়াত নাম-কীৰ্ত্তন, খেলা-ধূলা আৰু বিভিন্ন কৃষ্টিও প্ৰদৰ্শন কৰা হয়। মেলাত আন ব্যৱহাৰ্য বস্তুৰ উপৰিও মাটিৰ মূৰ্ত্তি আদি বেচা-কিনা কৰা হয়। দুপৰীয়া হোৱাৰ লগে লগে গাঁৱৰ গোঁসাই ঘৰৰ পৰা গোঁসাইৰ বিগ্ৰহবোৰ মাংগলিক কাৰ্য্যেৰে ধুৱাই-পখলাই আসনেৰে সৈতে নাম কীৰ্তনেৰে শোভা যাত্ৰা কৰি নিৰ্দিষ্ট ঠাইত গোসাঁই স্থাপনা কৰি এই উৎসৱ পতা হয়। উৎসৱ থলীত নাম-কীৰ্তন, ৰং-তামাচা কৰাৰ অন্তত সন্ধিয়া হোৱাৰ লগে লগে আকৌ আসনেৰে সৈতে বিগ্ৰহবোৰ শোভাযাত্ৰা কৰি ওচৰৰ গাঁৱবোৰত ঘূৰাই লৈ ফুৰোৱা হয়। কোনো কোনো লোকে শোভাযাত্ৰাৰ বাটৰ কাষত হালি থকা গছৰ পাত আদি ভাঙি

বা কাটি পেলাই গোঁসাই যোৱাৰ বাট পৰিষ্কাৰ কৰাৰ ইংগিত দিয়ে। আন কিছুমানে গোসাই আহিব বুলি আগৰে পৰা পদুলি সাৰি মচি বৰপীৰা পাৰি থয়। বিগ্ৰহ আনি তাত ক্ষন্তেকৰ কাৰণে থোৱা হয় আৰু তেতিয়া গিৰিহঁতে ধূপ, চাকি, নৈবেদ্য, পইচা আদি আগবঢ়াই বিগ্ৰহলৈ সেৱা জনায়। ৰাইজে হৰিধ্বনি কৰে। এইদৰে ভ্ৰমণ কৰাৰ শেষত বিগ্ৰহটি নাম ঘৰৰ মণিকূটত থৈ দিয়া হয়।

ওপৰত উল্লেখ কৰা সুৰবী উৎসৱৰ উৎপত্তি কেতিয়াৰ পৰা হৈছিল তাৰ একো প্ৰমাণ পোৱা নাযায়। বকো অঞ্চলৰ কেইজনমান বয়োজ্যেষ্ঠ ব্যক্তিৰ মুখৰ পৰা জানিব পৰা মতে তেওঁলোকৰ উপৰি পুৰুষ সকলৰ দিনৰ পৰাই এই উৎসৱ চলি আহিছে। অতীত কালত হেনো ভোগালী আৰু বঙালী দুয়োজনীয়ে বায়েক-ভনীয়েক আছিল। ভোগালী বয়সত ডাঙৰ আৰু তাইৰ আৰ্থিক অৱস্থাও আছিল টনকিয়াল। আনহাতে বঙালী আছিল ভোগালীৰ সৰু ভনীয়েক, তাইৰ অৱস্থা অতি শোচনীয়। সেয়ে তাই বহাগ বিহুৰ প্ৰথম দিনা খনৰ পৰা সাত বিহুলৈকে মানুহৰ ঘৰে ঘৰে গৈ ভিক্ষা কৰি যি পায় সাতবিহুৰ দিনা ৰং-ধেমালিৰে সকলোৰে মিলিজুলি মুকলি পথাৰত ভোজ খায়। এই প্ৰথামতে আজিও গাঁৱৰ কেতবোৰ মানুহে গাঁৱৰ ঘৰে ঘৰে বহাগ বিহুৰ প্ৰথম দিনৰ পৰা সাত বিহুলৈকে ভিক্ষা কৰি ফুৰে। এনেদৰে ভিক্ষা কৰি পোৱা সামগ্ৰীবোৰেৰে সাতবিহুৰ দিনা মুকলি পথাৰত সকলোৰে ৰং তামাচাৰে ভোজ-ভাত খাই আনন্দৰ মেলা পাতে। ইয়াৰ পৰাই সুঁৰবী উৎসৱৰ উৎপত্তি হোৱা বুলি তেওঁলোকে কয়।

বকো অঞ্চলত এই সুৰবী উৎসৱ বহুদিনৰ পৰাই চলি আহিছে। এই বৃহৎ এলেকাটিৰ বকো, বনগাওঁ, লুকী, বেকেলী, পশ্চিম ছমৰীয়া আদি মৌজা সমূহৰ গঞা সমাজে নিজ নিজ গাওঁতে সাধাৰণভাবে এই উৎসৱ পালন কৰিছিল। কিন্তু কালক্ৰমত জনসংখ্যা বৃদ্ধি পাই অহাৰ লগে লগে বকো অঞ্চলৰ বনগাওঁ, বকো, ১নং থাৰিজা আৰু ২নং থাৰিজা ৰাইজবাসীয়ে বকোৰ মুকলি পথাৰত পাতিবলৈ লয়। ইয়াতো কিবা সংক্ৰান্তত মতৰ ভেদাভেদ হোৱাত বনগাওঁবাসী ৰাইজে বৰ্তমানলৈকে গোপীনাথ গোঁসাই মহত আৰু বাকী তিনিখনৰ ৰাইজে আগৰ ঠাইতে সমূহীয়া ভিত্তিত উদ্‌যাপন কৰি আছে। ৰাইজে তেওঁলোকৰ গাঁৱৰ নামঘৰৰ পৰা ওপৰত বৰ্ণনা কৰাৰ দৰে বিগ্ৰহবোৰ আনি থাপনা পাতে। থাপনাৰ সন্মুখত ৰাইজে নাম-কীৰ্তন কৰি হৰি-ধ্বনি কৰে।

এই সুঁৰবী উৎসৱৰ দিনা মা কামাখ্যাৰ মন্দিৰৰ পৰা কামাখ্যাৰ নিচান স্বৰূপে বগা-ৰঙা দুটা পৃথক ৰঙেৰে সজোৱা দুখাল নিচান শোভাযাত্ৰী সকলৰ আগেআগে ঢোল-পেপা বজাই লৈ আহে। ই অতীতৰ প্ৰতীক। যেনেদৰে আগৰ দিনত ৰজা ক'ৰবালৈ গ'লে আগে আগে নিচান লৈ ৰজা অহাৰ আগ জাননী দিয়া হয় তদ্ৰূপ ৰাইজৰ আগেৰেও ইয়াক লৈ ৰাইজ অহাৰ জাননী দিয়া হয়। উক্ত নিচান ক'ৰবালৈ নিবলগীয়া হলে গাখীৰেৰে দেউৰীয়ে ধুৱাই শুদ্ধ কৰি মিঠাতেল সেন্দুৰ আদি দি কাপোৰ পিন্ধাই সুসজ্জিত

কৰে।

এই উৎসৱত মানুহবোৰৰ মনত কোনো ভেদাভেদ, হিংসা, দ্বেষৰ ভাব নাথাকে। সকলোৱে একতাৰ এনাজৰীৰে বান্ধ খাই মুকলি পথাৰত জাতি-বৰ্ণ নিৰ্বিশেষে একেলগে বহি সকলোবোৰ কথা আলোচনা কৰে। সুঁৱৰী উৎসৱত বয়োবৃদ্ধ মান্যজনক ৰাইজে যথাসাধ্যে ফুলাম গামোচা আদিৰে সন্মান প্ৰদৰ্শন কৰে। এই বকো অঞ্চলটি জন-জাতীয় অঞ্চল। গতিকে ইয়াৰ স্থানীয় বাসিন্দা সকলে বাডা, কছাৰী, হানাঘোঁৰা, পাৰবাঁহ ঘূৰোৱা ইত্যাদি বিভিন্ন কলা-কৃষ্টি প্ৰদৰ্শন কৰে। ইয়াৰোপৰি খেমটা, মাদল নাচ, বহুৰঙী, ওজাপালি, নাগৰানাম, খিয়নাম, বিহুনাচ আদিও উল্লেখনীয়। এইবোৰ কলা সংস্কৃতিৰ প্ৰদৰ্শনে আমাৰ মন অতীতলৈ ধাবিত কৰায়, লগতে অতীত কালত এই অঞ্চলতো যে কলা-কৃষ্টিৰ চৰ্চা আছিল তাৰে প্ৰমাণ দিয়ে।

বকোৰ সুঁৱৰী উৎসৱৰ মানদণ্ড অতীত কালৰ তুলনাত এতিয়া অতি উন্নত। ইয়াত হেজাৰ হেজাৰ লোকেৰে লোকাৰণ্য হৈ সেইদিনাৰ মেলাখন জাকত- জিলিকা কৰে। উক্ত সুঁৱৰী উৎসৱত প্ৰদৰ্শিত বিভিন্ন থলুৱা কলা-কৃষ্টিৰ এটি থূলমূল বিৱৰণ দিয়া হ'ল।

**হানাঘোঁৰা :—**

প্ৰচলিত প্ৰবাদমতে হানাঘোঁৰাহঁত তিনি বাই-ভনী আছিল। প্ৰথমজনী কহাৰী মাদল (বকো কৃষ্টিত মাদলত দেও আছে বুলি বড়ো কছাৰী ভাইসকলৰ বিশ্বাস) মাজুজনী হানাঘোঁৰা আৰু কণিষ্ঠাজনী হ'ল পাওৰা (দেখাত ফুলৰ নিচিনা দুই বিধ কাপোৰ মেৰোৱা এডাল দেও থকা বাঁহ)। দেৱাদিদেৱ মহাদেৱৰ পত্নী সতীয়ে যেতিয়া দক্ষ ৰজাৰ যজ্ঞস্থলীত স্বামীনিন্দা সহিব নোৱাৰি প্ৰাণত্যাগ কৰিলে তেতিয়া মহাদেৱে সতীৰ শোক পাতলাবৰ বাবে নানা ঠাই ঘূৰি ফুৰি কামৰূপত উপস্থিত হয়। এইদৰে পৰ্বতে পাহাৰে নানা ঠাই ঘূৰি ফুৰোতে হানাসকলক (গাৰোবিলাকক) লগ পায়। হানাসকলে মহাদেৱৰ লগ হৈ আমোদ-প্ৰমোদ কৰিবৰ নিমিত্তে মদ, ভাং, গাজা আদি খাবলৈ পাই তেওঁৰ লগতে সমাজ পাতি এক হৈ পৰিল। যজ্ঞ ধ্বংস কৰিবলৈ যোৱাত ডাইনী, যখিনী লৈ অহা দেখি কালী দেৱীও কৈলাশত নাথাকি ঘোঁৰাত উঠি যজ্ঞ ভূমিত উপস্থিত হৈছিল। মাদক দ্ৰব্যৰ বাগীত মাতাল হৈ পৰাৰ পিচত হানা ভাইসকলে এই ঘোঁৰাক লৈয়েই শিৱৰ লগত নানা তামাচা কৰিছিল।

মহাদেৱ গ'ল। মহাদেৱৰ লগত অহা আন অনুচৰ বৰ্গও গ'ল। লগতে গ'ল মহাকালীৰ ঘোঁৰাটো। কালক্ৰমত আটাইবোৰে স্বস্থানে প্ৰস্থান কৰিলে। কিন্তু থাকি গ'ল তেওঁবেই হানা শিষ্য সকলৰ মদ, ভাং খাই নচা, গীত গোৱা সংস্কৃতিটো। কালী ঘোঁৰাৰ অনুপস্থিতিত হানাসকলে উক্ত ঘোঁৰাৰ অনুকৰণত বাঁহৰ কামীৰে সদৃশ ঘোঁৰা সাজি লৈ আচল ঘোঁৰাৰ অভাৱ পূৰণ কৰি ললে।

"টাহলিত টাহলিত কৰে
মাহী আই হানা ঘোঁৰাৰ পিঙা
ভালকুৰি নানাচিলে
মাহী অই কায় দিব ভিমা॥"

আদি গীতৰ চেৱে-চেৱে মাদল, ডগৰ বজাই তালে তালে নাচিবলৈ ধৰিলে। অইন গীতত বজোৱাৰ দৰে ইয়াতো তালৰ অভাৱত বিশেষ ধৰণৰ কোদালৰ পৰা সেই শব্দ উলিয়ালে। ঘোঁৰাৰ লগত একে শাৰীত নচাৰ কাৰণে দুফালে দুজনে ঢাল তৰোৱাল লৈ নাচিলে। (যিহেতু এই ঘোঁৰা যুদ্ধৰ)। তাৰোপৰি ম'হৰ শিঙৰ পেঁপা বজাই ইয়ে যুদ্ধৰেই যেন আজিও ইংগিত দিয়ে। পুৰুষানুক্ৰমে এই নাচ চলি আহি আহি ৰাভা-কছাৰীসকলৰ মাজতো প্ৰচলন হ'ল। সময়ত ইয়াৰেই নাম হ'ল "হানা ঘোঁৰা নৃত্য।"

প্ৰচলিত প্ৰবাদমতে হানাঘোঁৰাৰ পোছাক পৰিচ্ছদ হ'ল ক'লা কাপোৰ এখনৰ মাজত বগা ঘূৰণীয়া কাপোৰ। ইয়াৰ কাৰণ এইজনী বৰ অকাজী আছিল। বোৱা-কটাৰ নামত একো নাজানিছিল। গতিকে পিন্ধন-উৰণত অতি সাধাৰণ -- কোনো জাকজমকতা নাই। এই লোক সংস্কৃতিটোৰ প্ৰধান নিয়ম হ'ল নৃত্য কৰাৰ আগতে হানা ঘোঁৰাক পূজা দিয়া। পূজাত সন্তুষ্ট নহলে অপায়-অমঙ্গল হয় বুলি লোক বিশ্বাস। পূজাৰ প্ৰধান সম্ভাৰ হ'ল ভোলানাথে ব্যৱহাৰ কৰা প্ৰথম মদখিনি।

**পাৰবাঁহ :—**

ইয়াক এডাল বাঁহত ৰঙা-বগা কাপোৰেৰে মেৰিয়াই ফুল সদৃশ কৰি সজোৱা হয়। হানা ঘোঁৰাহঁতৰ বাই-ভনীৰ ভিতৰত এইজনী তৃতীয়। পাওৰা কিন্তু অতি ভাল শিপিনী নাইবা অকাজী কোনোটোৱে নাছিল। আনকি তাই কাপোৰত সপোন ৰচনা কৰিব পৰা শিপিনী আৰু একেবাৰে পৰি মৰা বিধৰো নাছিল। ইয়াৰ প্ৰমাণ তাইৰ পৰিধানত পোৱা যায়। পাওৰাই দুই ৰঙৰ কাপোৰ ও ফুল ৰচাৰ দৰে ইটোৰ পিছত সিটো ৰজিতা খুৰাই পিন্ধে। এই পাওৰা বাঁহডাল কোনো শক্তি-মান লোকে এখন হাতেৰে খিয়কৈ দাঙি নিজৰ গাৰ চাৰিওফালে ঘূৰাই এই বুলি গায়—

"লাই লাই লাকো, লাই ঐ
লাকো হৰি লাই।" ইত্যাদি

গীত ঢোলৰ চেওৰ লগত তাল ৰাখি সুৰ লগাই গোৱা হয়। ইয়াকে "পাৰবাঁহ ঘূৰোৱা" বোলে। ইয়াকো যেনে তেনে নচুৱাব নোৱাৰি। নচুৱাৰ আগতে অপায় অমংগল নাশৰ বাবে পূজা পাতল দিহে ইয়াক নচুৱা হয়।

**ৰাভা কছাৰী কৃষ্টি—**

এই অঞ্চলটি জন-জাতীয় অঞ্চল। এওঁলোকৰো সুকীয়া সুকীয়া লোক-সংস্কৃতি আৰু কৃষ্টি আছে। বহাগবিহু অহাৰ লগে লগে এওঁলোকেও অন্যান্য কলা-কৃষ্টি পৰিবেশনৰ লগতে নিজস্ব ভাষাৰ নাচ-গান আদি পৰিবেশন কৰে। এওঁলোকৰ গান আৰু নাচও সুকীয়া। কছাৰীসকলে মাদল বজাই বাঁহীৰে সুৰৰ লহৰ তুলি কছাৰী গান গাই গাই নৃত্য কৰে। ইয়াত ব্যৱহৃত মাদলটো হ'ল কছাৰী মাদল আৰু ই হানাঘোঁৰাতকৈ ডাঙৰ। ডাঙৰ ভনীয়েক হিচাপে হেনো বোৱা-কটাত বৰ পাৰ্গত। তাই ন-ন আদৰ-কায়দাৰে কাপোৰ বব জানিছিল। সেয়ে বৰ্তমান বড়ো কছাৰীৰ কৃষ্টিত নচা নাচনীহঁতে সুন্দৰ ফুলাম কাপোৰ পিন্ধি নচা

দেখা যায়। ঠিক সেইদৰে ৰাভাবিলাকেও তেওঁলোকৰ কাপোৰ পিন্ধি ৰাভাগীত ঢোল-পেপাৰ জৰিয়তে পৰিবেশন কৰি নৃত্য কৰে। এইবোৰৰ উপৰিও 'বহুৰঙী' বুলি ইয়াৰ মাজৰে আন এটি নৃত্য আজিও বিদ্যমান।

**ওজাপালি—**

এই ওজাপালি সংস্কৃতিটো চম্পক নগৰৰ চান্দ সদাগৰৰ দিনৰ পৰা চলি আহিছে। সুকনান্নী গীতবোৰকে ইয়াত তাল সংযোজন কৰি ওজাই লগাই দিয়ামতে বাকী সহচৰ পালিসকলে গাই যায়। ইয়ো দুই প্ৰকাৰৰ। এক প্ৰকাৰত দাইনাপালি আৰু ওজাৰ জৰিয়তে খুটি তাল বজাই গোৱা হয়। ইয়াত ওজা আৰু দাইনাৰ কথোপকোথনৰ দ্বাৰা গীতত গোৱা যিকোনো আখ্যানে সমজুৱাক ভালদৰে অৱগত কৰায়। আনবিধ ওজাপালি হ'ল মনসা বা মাৰৈ পূজাত গীত গোৱা ওজাপালি। ইয়াত সুকনন্নীৰ গীত সমূহ পালিসকলৰ লগত তালৰ জৰিয়তে পৰিবেশন কৰা হয়। এই সংস্কৃতিটো প্ৰায় সকলো ঠাইতে দেখা নাযায়।

তদুপৰি এই উৎসৱটিত নাগাৰা নাম, থিয় নাম আদিও পৰিবেশন কৰা হয়। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে অসমত বৈষ্ণৱ ধৰ্ম প্ৰচাৰাৰ্থে নানা গীত, নাট, ভাওনা আদি প্ৰচলন কৰিছিল। সত্ৰ-নামঘৰ আদি স্থাপন কৰি জনসাধাৰণক ধৰ্মত প্ৰবৃত্ত কৰাবলৈ নাগৰা নাম থিয় নাম আদি পৰিবেশন কৰিছিল। সেই বিলাকৰ নিদৰ্শন হিচাপে আজিও গাওঁৰ নামঘৰত থকা দেখিবলৈ পাও। শংকৰদেৱে নিজেই ঢোল, মৃদংগ, নাগৰা, খোল আদি তৈয়াৰ কৰি সেইবিলাকত সুৰ সংযোজনা কৰি শিষ্যসকলক বজাবলৈ শিকাইছিল। লগতে শ্ৰীকৃষ্ণৰ বিভিন্ন চৰিত্ৰ সুৰ লগাই নাগৰা নাম, থিয় নাম আদি পৰিবেশন কৰা হয়।

ওপৰত উল্লেখিত বিভিন্ন থলুৱা কলা-কৃষ্টি প্ৰদৰ্শন কৰাৰ উপৰিও এই সুঁৱৰী উৎসৱত (যিহেতু এই উৎসৱ বিহুৰ সমসাময়িক উৎসৱ) জন-জাতিৰ লোকসকলে বিহু নৃত্য আৰু গীত পৰিবেশন কৰে। মন কৰিবলগীয়া কথা এয়ে যে, আমি বিহুগীত, বিহুনৃত্য আৰু হুচৰী বুলিলে যি বুজো, সেই লেখীয়া বিহুগীত, বিহুনৃত্য, আৰু হুচৰী ইয়াত দেখিবলৈ পোৱা নাযায়। উজনি অসমৰ বিহুগীত আৰু বিহুনৃত্যৰ লগত ইয়াৰ যথেষ্ট পাৰ্থক্য দেখা যায়। এই অঞ্চলৰ বিহুগীতৰ সুৰ, নাচোন, নাচনীৰ সাজ-পাৰ, আ-অলংকাৰৰ লগত উজনি অসমৰ বিহুগীতৰ সুৰ, নাচোন ইত্যাদিৰ লগত সামান্যতমো মিল নাই বুলি কলেও অত্যুক্তি কৰা নহয়। বৰ্তমান সময়ৰ যাত্ৰা-পাৰ্টিৰ নৰ্তকীসকলে যি ধৰণে নৃত্য পৰিবেশন কৰে, সেই ঢংটোৰে ইয়াতো বিহুনৃত্য পৰিবেশন কৰে। সেইফালৰ পৰা চাবলৈ গলে বিহুনৃত্যত যাত্ৰা-পাৰ্টিৰ নৰ্তকী সকলৰ নৃত্যৰ প্ৰভাৱ পৰা বুলি কব পাৰি। অৱশ্যে আজিকালি দুই এঠাইত উজনি অসমৰ বিহুগীত, নৃত্য আদিৰ প্ৰভাৱ ছেগা-চোৰোকাকৈ নপৰা নহয়।

এইদৰে নানা কলা-কৃষ্টি প্ৰদৰ্শন কৰি আনন্দমুখৰ এই সুঁৱৰী উৎসৱটি উদ্‌যাপন কৰি অঞ্চলবাসী ৰাইজ আনন্দত মতলীয়া হৈ পৰে। এই সুঁৱৰী উৎসৱটিৰ কলেৱৰ বৰ্তমানলৈকে বৃদ্ধি হৈ গৈ আছে আৰু ভৱিষ্যতেও ইয়াৰ কলেৱৰ বৃদ্ধি পাব।



## ॥ তোমাৰ মোৰ আৰু সিহঁতৰ ॥

বসন্ত দত্ত।

গভীৰ ৰাতি কেতিয়াবা
হঠাতে সাৰ পাই উঠো
অনুভৱ হয়, যেন
মোৰ মগজুৰ মাজেৰে
পাৰ হৈ যায় আই
বোৱাৰী কালৰ তোমাৰ সপোন,
ময়েইতো আনিব লাগিব
সুদৰ নামত মহাজনে
কাঢ়ি নিয়া তোমাৰ কাণৰ কেৰু
দেউতাৰ হালৰ গৰু।
উকথা গজাৰ ভিজা মাটি,
তুঁহ জুইৰ উৎকট ভেকেটা
গোন্ধৰ দুঃসহ স্মৃতি
ছাঁৰ দৰে লাগি আছে
মোৰ নাকত কুৰিটা বছৰে।
গভীৰ ৰাতি কেতিয়াবা
হঠাতে সাৰ পাই উঠো
মগজুৰে পাৰ হৈ যায়
কাৰখানাৰ কৰ্মৰত হাতৰ ছবি
মোৰ আৰু বহুতৰ
নাকত লাগেহি তেল আৰু
মবিলৰ গোন্ধ
গোন্ধ আৰু গোন্ধৰ নিশ্বাসত
জন্ম লয় এটি তীব্ৰ ঘৃণা
আৰু সংকল্পৰ ধুমুহা
আই তোমাৰ বাবে
মোৰ বাবে
অনাগত মোৰ সন্তানৰ বাবে।

## ঃ উপলব্ধি ঃ

আনন্দ চন্দ্ৰ দাস
প্ৰাক্ বিশ্ববিদ্যালয়, ১ম বাৰ্ষিক।

খুলিবে কোনে……মোৰ……
ৰুদ্ধ কোঠাৰ দ্বাৰ……।
মইতো… কেতিয়াবাই মৰিছোঁ……।
গুমৰি আছে নোপোৱাৰ বেদনাত……।
মাথোঁ……প্ৰেতাত্মা……।

## শ্মশানত

দধীমোহন মজুমদাৰ
২য় বাৰ্ষিক, স্নাতক।

মাথোন এণ্ডাৰ, হাড় আৰু ঘাঁহ
মোৰ
দিঠকৰে ভৰা সম্মুখত।
নামবোৰ বিচাৰিছোঁ মই
আওপুৰণি
ভস্মীকৃত ঠাইবোৰত

সময়ত হেৰাই গৈছে সকলো
চিৰদিনৰ বাবে
বিস্মৃতিৰ অতল তলত।
নামবোৰ নিষ্প্ৰাণ হৈ
শুই পৰিছে
আৰু
মাটিত মিহলি হৈ গৈছে
সকলোৰে আলসুৱা দেহ

ৰৈ আছে মাথো এণ্ডাৰ
ধূলি আৰু
মৃত্যুৰ সোঁৱৰণ।
মই সেই সোঁৱৰণকে বিচাৰিছোঁ॥

★ ★ ★

## উপলব্ধি

কুমাৰী মিনা দুৱৰা
প্ৰাক্ বিশ্ববিদ্যালয়, ২য় বাৰ্ষিক।

সূৰ্যমৰ গোহৰত পুৱাৰ দুবৰিৰ মুকুতাখিনি
দুহাতেৰে বুটলিব খোজোতেই
ভাৱৰত সূৰুয লুকাল ঃ একোকে নাপালোঁ
পিচলৈ ঘূৰি চাওঁ—বতাহে ঢাকিলে দুভৰিৰ চিন
হঠাতে মনত পৰা পুৰণি কবিতা এফাঁকি—
"অজান পথিকৰ খোজো হেনো হ'ব পাৰে
কেতিয়াবা কাৰোবাৰ বাবে ধ্ৰুৱতৰা"—
মনে মনে তাকে আওৰালোঁ ঃ
কিন্তু তাতো যেন বিচাৰি নাপালোঁ
মনে খোজা সঠিক বতৰা
আঘোণৰ সোণালী পথাৰত
সোণগুটি মুঠি মুঠি কৰা মৰমী দাৱনীলৈ চালোঁ
—দূৰণিৰি পৰা
বাগৰিছে এটি মিঠা হাঁহিৰ ঢল—
কোনে জানো ক'লে মোক—?
—ইমানকৈ তুমি আমাক কিয়নো চাইছা?
এয়াতো আমাৰ হাঁহি নহয়—কাৰোবাৰহে হাঁহি,
আমাৰ বুকুভৰা হাঁহিবোৰ শুনিবলৈ পাবা
সেইদিনা মাথো—যিদিনা আমি মাটি চুমা খাই
কান্দো।

শামুকৰ খোলা ভাঙি ফুৰা
অশান্ত মনত মোৰ
বাৰে বাৰে জিলিকি উঠিল
এডাল ৰঘুমলা আৰু এমুঠি ফুল।

—— x ——

গল্প

# শেতা হাঁহি

অনিল কুমাৰ ৰাভা,
২য় বাৰ্ষিক স্নাতক।

আজি অৰ্পণাৰ বিয়া। দৰা কলেজৰ অধ্যাপক অনিমেষ হাজৰিকা। যোৱা বছৰেই দ্বিতীয় বিভাগত এম-এ, পাছ কৰি অধ্যাপক হৈছে। ঘৰ গুৱাহাটীৰ ওচৰৰ এখন গাওঁত। সেই অঞ্চলৰ অৱস্থাপন্ন পৰিয়াল সমূহৰ ভিতৰত অনিমেষইঁতৰ পৰিয়ালটোও এটা। পৰিয়ালৰ ভিতৰত মাক, দেউতাক আৰু তিনিজনী ভনীয়েক ইমানেই। দেউতাকে চাহ বাগিছাত কাম কৰে। অনিমেষৰ লগতে আজি বিনন্দাৰ ভনীয়েক অৰ্পণাৰ বিয়া। অনিমেষ ৰূপবান নহয়, যদিও দেখাত পৰিমৰা বিধৰো নহয়। অৰ্পণাৰ লগত সুন্দৰ যোৱা হ'ব।

সময় প্ৰায় সন্ধিয়া। অস্তাচলত খন্তেক সময় থিয় হৈ থাকি সূৰ্যটোৱেও যেন প্ৰকৃতিৰ লীলা ভূমি পৃথিবীৰ ৰূপ সৌন্দৰ্য শেষবাৰৰ বাবে চাই লৈছে। অস্তাচলত ইাহি ৰৈ থকা দিনমণিয়ে বক্তিম আভা সানি পৃথিবীৰ ৰূপসৌন্দৰ্য আৰু লোভনীয় কৰি তুলিছে। বিনন্দাই ক্ষন্তেক সময় ৰক্তিম সূৰ্যটোলৈ একেথিৰে চাই থাকিল। তায়ো এদিন সূৰ্যটোৰ দৰে এই পৃথিবীৰ পৰা আঁতৰি যাব লাগিব। সূৰ্যৰ পুনৰ্জন্ম আছে; কিন্তু বিনন্দাৰ নাই। তায়ো যদি পুনৰ্জন্ম পালেহেঁতেন। অজানিতে এই ভাব-চিন্তাবোৰ বিনন্দাৰ অন্তৰেদি বাগৰি গ'ল। তাই আৰু বহুতো কিবাকিবি ভাবিব খুজিছিল। কিন্তু বিয়াৰ ব্যস্ততাই সেই সুযোগকণ বিনন্দাক নিদিলে। তাই অলপ বিৰক্তি বোধ কৰিলে।

বিয়াৰ সম্পূৰ্ণ ভাৰ বিনন্দাৰ। কাৰণ বিনন্দাই ঘৰখনৰ ডাঙৰ সন্তান। অন্য সময়তকৈ এইখিনি সময়ত তাইক বেচ ব্যস্ত দেখা গৈছে। ভাত সাজ খাবলৈও তাইৰ যেন আহৰি নাই। ইমান ব্যস্ততাৰ মাজতো আৰু ইমান সতৰ্কতা অৱলম্বন কৰা সত্বেও তাইৰ যেন কেতিয়াবা কামত আউল লাগে। সেই ব্যস্ততাৰ মাজত বুজিব নোৱাৰা ভাৱ-চিন্তাই আগুৰি ধৰি বিনন্দাৰ মনটোক গধুৰ কৰি তোলে। অনুভৱ হয়, তাই যেন হাততে পোৱা কিবা বস্তু এটা হেৰুৱাই পেলালে। সেই বস্তুৰ অভাৱত আজি তাই সম্প থাকিলেও অকলশৰীয়া। ভাবানুভূতিৰ সোঁতত এবাৰ ইফালে এবাৰ সিফালে নীৰৱে তাই অহা-যোৱা কৰি থাকিল। কোনো কোনো মুহূৰ্তত তাইৰ ভৰি অচল হৈ পৰিব খোজে। নিজক চম্ভালি তাইৰ ব্যস্ততাখিনিক বিদায় দিব লাগিব, নহলে যে তাইৰ উপায় নাই। কইনা সজোৱা খোটালীলৈ সোমাই পুনৰ তলমূৰকৈ ওলাই আহি পোনে পোনে নিজৰ শোৱা খোটালিলৈ সোমাই গ'ল। ঐই সময়খিনি তাই কেনেকৈ পাৰ কৰি দিলে তাই কব নোৱাৰিলে। তাইৰ ধাৰণা হ'ল তাই যেন এটা যন্ত্ৰ-মানৱ। আনৰ পৰিচালনাত সেই যন্ত্ৰ-মানৱ চলাৰ দৰে তায়ো যেন কাৰোবাৰ পৰিচালনাত চলিব লাগিছে।

তাই অৱশ ভাৱে দ্ৰেচিং টেবুলখনৰ সমুখত বহি পৰিল। সমুখৰ বহল আইনাখনত দৃষ্টি পৰাত দেখিলে তাইৰ দেহৰ প্ৰতিবিম্বটো স্পষ্টভাৱে আইনাখনত পৰিছে। কিছুসময় বিস্মৃতভাৱে তাইৰ প্ৰতিবিম্বটোলৈ চাই থাকিল। নিজৰ দেহটোৰ কথা কোনোদিন নভবা বিনন্দাই আজি ভাবিবলৈ বাধ্য হ'ল। খুব তীক্ষ্ণ দৃষ্টিৰে আইনাখনৰ বুকুত তাই নিজৰ মুখখনি লক্ষ্য কৰিলে। তাই খুব আচৰিত হ'ল। তাই যেন নিজকে চিনিবলৈ টান পালে। মাত্ৰ এই কেইদিনমানৰ ভিতৰতে তাইৰ দেহৰ ইমান পৰিবৰ্তন হ'লনে? তাই আগৰ চিনাকী মানুহজনীৰ সলনি আইনাত যেন আন এজনী অচিনাকী মানুহহে দেখিবলৈ পালে। তাই লক্ষ্য কৰিলে তাইৰ চকুদুটি ভালেখিনি সোমাই গৈছে। দুয়ো চকুৰ তলফালে দুটি অৰ্দ্ধ বৃত্তাকাৰ প্ৰচ্ছায়াই প্ৰকট ৰূপত বিৰাজ কৰিছে। আৰু তাইৰ গোলাপৰ পাহিৰ দৰে সুকোমল গাল দুখনি বৰ নিস্তেজ, বৰ শেঁতা হৈ পৰিছে। চিন্তা আৰু বয়সৰ সম্মিলিত প্ৰচেষ্টাত ঠায়ে ঠায়ে পৰা আঁচবোৰো আজি যেন আৰু স্পষ্ট হৈ পৰিছে। তাই লক্ষ্য কৰিলে, তাইৰ অতি আদৰৰ, অতি মৰমৰ, কিচকিচিয়া চুলিটাৰীলৈ। কিন্তু এয়া কি দেখা পাইছে তাই? যিটাৰি চুলিক লৈ তাইৰ কলেজীয়া জীৱনত গৌৰৱৰ সীমা নাছিল, যিটাধি চুলি, তাইৰ সমনীয়া সকলোৰে ঈৰ্ষাৰ বস্তু আছিল, তাত ৰূপালী ফাকু কোনে কেতিয়া চতিয়াই গ'ল? তাই আৰু থিৰেৰে ৰ'ব নোৱাৰিলে। দুহাতেৰে চকু দুটা ঢাকি লৈ আইনাখনৰ ওচৰৰ পৰা উঁচাট মাৰি আঁতৰি গৈ ওচৰৰ বিছনাখনৰ গাৰুটোত মুখখন গুজি লৈ সজোৰে উচুপি উঠিল।

কিমান সময় তাই তেনেকৈ অতিবাহিত্র কৰিলে তাইৰ হিচাপ নাছিল। বৰ্তমানটোৰ কথা তাই যেন সমূলি পাহৰি গ'ল। তাইৰ মনপখী উৰি গ'ল, উৰি গ'ল তাইৰ জীৱনৰ বহু অতীতলৈ।

কাঁইটীয়া জীৱন বাটেৰে বাটকুৰি বাই আহি পুনৰ পিচলৈ নাচাওঁ বুলিও আজি তাই পিচলৈ উভতি চাবলৈ বাধ্য হ'ল। বাধ্য কৰালে পৰিস্থিতিৰ তাড়নাই।

......বিনন্দাইঁতৰ ঘৰৰ অৱস্থা বেয়া নাছিল। ধনী বা জমীদাৰ নহ'লেও বিনন্দাইঁতে অভাৱ অনুভৱ নকৰাকৈয়ে জীৱন অতিবাহিত কৰিছিল। বিনন্দাৰ দেউতাক শকত দৰমহা পোৱা চাকৰিয়াল আছিল। মাক, দেউতাকৰ উপৰিও ঘৰত তাই, অৰ্পণা আৰু ভাইটি মনু। গতিকে বিনন্দাইঁতৰ পৰিয়ালটো সুখী পৰিয়াল বুলিয়েই কব লাগিব। বেচ্ সুখেৰেই পাৰ হৈ গৈছিল বিনন্দাৰ অতীত দিনবোৰ।

......তাই তেতিয়া প্ৰাক্-বিশ্ববিদ্যালয়ৰ ২য় বাৰ্ষিকৰ ছাত্ৰী। তাই পঢ়াত এজনী নামকৰা ছোৱালী হিচাপে কলেজত খ্যাতি আছিল। তাইৰ লগত প্ৰত্যাক্ষভাৱে কথা কবলৈ কোনো ছোৱালীয়ে সাহস কৰা নাছিল। আনকি বহুতে তাইৰ ওচৰ চাপিবলৈও শঙ্কা কৰিছিল। যুক্তিতৰ্কত কোনো ছোৱালীয়ে বিনন্দাৰ লগত ফেৰ মাৰিব নোৱাৰিছিল। এই পাৰদৰ্শিতাৰ বাবে তাই কলেজৰ কেইবাখনো তৰ্কপ্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰিছিল। বিনন্দাই এই পাৰদৰ্শিতাৰ বাবে বহুতো ছোৱালীৰ ঈৰ্ষাৰ পাত্ৰীও হৈছিল।

.......বিনন্দাৰ দেহত তেতিয়া ভৰ যৌৱনৰ চল। দুচকুত তাইৰ উজ্বল ভৱিষ্যতৰ ৰঙীণ স্বপ্ন। তাইৰ যৌৱনে, তাইৰ কৃতিত্বই সকলোকে মোহিত কৰিছিল। সেয়ে তাই বিশেষ আচৰিত হোৱা নাছিল যেতিয়া কলেজৰ "গ্লেমাৰ বয়" পলাশ চলিহা তাইৰ কাষ চাপি আহিছিল। বি-এ, তৃতীয় বাৰ্ষিকৰ ছাত্ৰ পলাশ চলিহা। পঢ়াত যেনে মেধাবী, দেখাতো তেনে সুন্দৰ। সৱল সুঠাম সুন্দৰ দেহ। সেই পলাশ চলিহা এদিন অতি আপোন হৈ পৰিছিল বিনন্দাৰ। অকল বিনন্দাৰেই নহয় ঘৰৰ সকলোৰে আপোন হৈ পৰিছিল পলাশ। বিনন্দাৰ মধুময় জীৱন পলাশৰ আবিৰ্ভাবে আৰু বেছি মধুময় কৰি তুলিলে। পলাশৰ আবিৰ্ভাবত তাই যেন এটি নোপোৱা বস্তু বিচাৰি পাইছিল। তাই ভাবিছিল তেতিয়াৰ মধুময় জীৱনটোৰ দৰে তাই হয়তো ভৱিষ্যতৰ জীৱনটোও মধুময় কৰি তুলিব পাৰিব পলাশৰ পৰশত। তেতিয়া তাই ভবিষ্যতৰ বহুতো ৰঙীণ সপোণ দেখিছিল। তাই তেতিয়া এখন বেলেগ জগতত বিচৰণ কৰি ফুৰিছিল। সেইখন জগতৰ প্ৰতিটো বস্তুৱে তাইৰ বাবে আছিল ৰঙীণ সেউজ-বুলীয়া। কিন্তু নিষ্ঠুৰ নিয়তিয়ে বিনন্দাৰ সেই ৰঙীণ জগতখনৰ ৰঙীণ সপোনবোৰ বাস্তৱত ৰূপায়িত হবলৈ নিদিলে। পলাশ চলিহা এদিন বিনন্দাৰ কাষৰ পৰা অভাৱনীয়ভাৱে আঁতৰি গ'ল। তাই ভবা নাছিল যে পলাশে তেনে বিশ্বাসঘাতকতা কৰিব। বিনন্দাৰ প্ৰাণে হাহাকাৰ কৰি উঠিল। ওৰেটো জীৱন পলাশক কাষত ৰাখি নিজক প্ৰতিষ্ঠা কৰাৰ বাবে যি সোণালী সপোন তাই ৰচিছিল সেই সপোন মুহূৰ্ততে বালি-ঘৰৰ দৰে জুৰ জুৰকৈ ভাঙি গৈছিল। অকল সেইখিনিয়ে নহয়। ইয়াৰ পিচত বিনন্দাৰ জীৱনলৈ নামি আহিল দুৰ্যোগৰ আন এটা চৰম আঘাত।

......তেতিয়া বিনন্দাৰ পি-ইউ, ফাইনেললৈ

মাথোন এমাহ কি দুমাহ বাকী। এদিন কলেজৰ পৰা আহি তাই সেই বাতৰিটো পালে। অভাৱনীয়, অকল্পনীয় এক নিষ্ঠুৰ বাতৰি। দেউতাকৰ হেনো মৃত্যু হৈছে। অফিচৰ কোনো জৰুৰী কামত দেউতাক দূৰলৈ যাব লগা হৈছিল। দুৰ্ভাগ্যবশতঃ ঘৰলৈ ঘূৰি আহোঁতে মাজ বাটতে জীপখন লুটিখাই বাগৰি পৰিল। জীপৰ বাকী কেইজন মানুহ গুৰুতৰভাৱে আহত হৈছে। ঘৰৰ আটায়ে হিয়া ধাকুৰি কান্দিলে। কান্দোন ওলাই নাহিল বিনন্দাৰ অন্তৰৰ পৰা। তাই শিলৰ দৰে নিথৰ নিৰ্বাক হৈ ৰ'ল। কন্দাৰ কাৰণে যিকণ শক্তিৰ প্ৰয়োজন সেইকণো যেন তাই মুহূৰ্ততে হেৰুৱাই পেলাইছিল। কিন্তু তাৰ পিচৰ পৰা তাই অস্বাভাৱিক ধৰণে গহীন গম্ভীৰ হৈ পৰিল। অৱশ্যে তাই নিজৰ কৰ্মক্ষেত্ৰত আগুৱাই গৈ থাকিল। অন্তৰত গভীৰ বেদনা আৰু মূৰত নানা ভাৱৰ বোজা লৈ পি, ইউ, পৰীক্ষাটো দিলে বিনন্দাই। ফলাফল আশানুৰূপ ন'হল যদিও তাই পৰীক্ষাটো পাছ কৰিলে।

তাৰ পিচত তাইৰ জীৱনৰ চৰম পৰীক্ষা আৰম্ভ হ'ল। বি-এ, টো দিম বুলি ভাবিছিল যদিও আহুকলীয়া জীৱনটোৰ বাবে দিব নোৱাৰিলে বিনন্দাই। পৰীক্ষা দিয়াৰ কামনা পৰিহাৰ কৰি পৰিয়ালটো চলোৱাত মনোযোগ দিলে তাই। বিনন্দাই ঘৰৰ সন্তানৰ ভিতৰত জ্যেষ্ঠা। ইফালে মাকো ক্ৰমে কাম কৰিবলৈ অসমৰ্থা হৈ আহিল। তদুপৰি মাকৰ যি অলপ সাঁচতীয়া ধন আছিল সিও ক্ৰমে লোপ পাই আহিল। গতিকে বিনন্দাই ঘৰ চলোৱাৰ দায়িত্ব লোৱাৰ বাহিৰে আন উপায় নাছিল। সেইদিনা তাই ভাবিছিল মাথো ঘৰখনৰ কথা, নিজৰ পৰিয়ালটোৰ কথা। মাকৰ চকুপানী দেখি তাইৰ মন গধুৰ হৈ উঠিল। তাই নিজৰ কথা চিন্তা কৰিবলৈ পাহৰি গৈছিল। পাহৰি গৈছিল নিজৰ অনিশ্চিত ভবিষ্যতটো এবাৰ ভুমুকিয়াই চাবলৈ।

অৱশেষত বহু চেষ্টাৰ ফলত ওচৰৰে ছোৱালী হাইস্কুল এখনত শিক্ষয়িত্ৰী কামত নিযুক্তি পালে তাই। প্ৰথম অৱস্থাত তাইৰ কিছু বেয়া লাগিছিল যদিও পিচলৈ কামত মনোযোগ দিবলৈ সক্ষম হ'ল। যাহেকত যি কেইটা দৰমহা পায় আৰু ঘৰখনৰ মাটিখিনিৰ পৰা যিমানখিনি উৎপাদন হয় সেইখিনিৰে ঘৰখন কোনোৰকমে চলি যায়। এইদৰে ব্যস্ততাৰ মাজেদি বিনন্দাৰ অৱসাদপূৰ্ণ দিনবোৰ এটিৰ পিচত এটিকৈ পাৰ হৈ যায়। সেই কৰ্মব্যস্ততাৰ মাজতেই অতীত হৈ যোৱা মধুময় দিনবোৰৰ কথা কেতিয়াবা তাইৰ মনলৈ আহি তাইৰ মন ভাৱাক্ৰান্ত কৰি থৈ যায়। সেয়ে যেতিয়াই অতীতৰ সেই মায়াসনা দিনবোৰ তাইৰ মনলৈ আহে তেতিয়াই তাই তাৰ কথা জোৰ কৰি পাহৰিব খোজে। পুনৰ মনত নেপেলাও বুলি শপত খায়।

আজি অপৰ্ণাৰ বিয়া। নিজৰ জীৱনৰ কথা কোনোদিনে ভাবিব নোখোজা বিনন্দাই আজি কোঠাৰ ভিতৰত সোমাই ভাবিছে মাথোন তাইৰ অতীত হৈ যোৱা দিনবোৰৰ কথা। নানা ঘাত-প্ৰতিঘাতত জুৰুলা হৈ মৰহি যাব খোজা জীৱনটোৰ কথা। তাইৰ জীৱন নৈৰ সোঁত ওভোতামুখে গতি কৰিছে। তাই আজি নিজ কক্ষপথৰ পৰা পিছলি পৰা এটি নক্ষত্ৰ। বিনন্দা আজি কক্ষচ্যুতা।

তন্ময়ভাবে কিমান সময় গাৰুত নিজৰ মুখখন গুজি আছিল তাই কব নোৱাৰে। কাৰোবাৰ মাতত তাইৰ তন্ময়তা ভাঙে। সমুখলৈ চাই পতিওৱাৰ আগতে তাই চাদৰৰ আঁচলেৰে চকুপানীৰে তিতি থকা দুয়োটি চকু ভালকৈ মচি ল'লে। অন্তৰৰ গভীৰতম প্ৰদেশৰ পৰা ওলাই আহিল এটি হুমুনিয়াহ। বাহিৰত তেতিয়া হাই-উৰুমি বৃদ্ধি পাইছিল। তাই দেখা পালে, দুৱাৰ মুখত কাঞ্চন বাই থিয় হৈ আছে। তাই তেনেকৈ পৰি থকা দেখি কাঞ্চন বাই ওচৰ চাপি আহি মৰমসনা মাতেৰে কলে—"বিনন্দা, তই ইয়াতে এনেকৈ কেলেই বহি আছ, সোণ? তাইকতো এদিন উলিয়াই দিবই লাগিব। তই দুখ কৰিছ কিয়, সোণ? আহ বাছা, এনেকৈ বহি থাকিলে কামবোৰ কোনে কৰিব?

কাঞ্চন বাইৰ সান্ত্বনা বাণীত বিনন্দাৰ মুখত মাথোন এটি শেতা হাঁহি বিৰিঙিল। তাইৰ মনৰ ভাৱ তাই প্ৰকাশ হবলৈ নিদিলে। কাঞ্চন বাইয়ে বুজিব নোৱাৰিলে বিনন্দাৰ মনৰ ভাব। ধৰিব নোৱাৰিলে বিনন্দাৰ দুখ কোনখিনিত। এটা কথাও নোকোৱাকৈ তাই যন্ত্ৰৰ দৰে কাঞ্চন বাইৰ পিচে পিচে ওলাই আহিল। দেখিলে বিয়াথলীত মানুহৰ সমাগম আগতকৈ বেছি হৈছে। হয়তো দৰা আহি পালে।

———×———

# ভিয়েটনামৰ কবিতা

মূলঃ তো হু
অসমীয়া ৰূপান্তৰ ঃ খগেশ সেন ডেকা

কবি পৰিচিতি—

কবি 'তো হু'ৰ জন্ম হয় ১৯২০ চনত, কেন্দ্ৰীয় ভিয়েটনামৰ অন্তৰ্গত হোৱেত। ভিয়েটনামৰ মুক্তি যুদ্ধত এই গৰাকী কবিয়ে সক্ৰিয় অংশ গ্ৰহণ কৰে। সেই অপৰাধতে সাম্ৰাজ্যবাদৰ দালাল পুতলা চৰকাৰে ১৯৩৯ চনত তেওঁক কাৰাবাস দিয়ে। ১৯৪২ চনত তেওঁ মুক্তি পায়। ১৯৪৫ চনত তেওঁ Hue Insurrectional Committee ৰ সভাপতি হয় আৰু ১৯৫১ চনত ভিয়েটনাম Workers' Party' ৰ কেন্দ্ৰীয় কমিটিলৈ নিৰ্বাচিত হয়। স্বাধীনতা আৰু সুস্থ জীৱনবোধৰ বাবে তেওঁ ভিয়েটনাম বিপ্লৱত আস্থা আৰু নিষ্ঠাৰে সক্ৰিয় সহযোগ কৰিছিল। সেই বাবেই তেওঁক কোৱা হয় "ভিয়েটনাম বিপ্লৱৰ কবি।"

তলত অনূদিত কবিতাটিয়ে কবি তো হুৰ ভিয়েটনামৰ জনসাধাৰণৰ প্ৰতি থকা অকৃত্ৰিম ভালপোৱা, বিপ্লৱৰ প্ৰতি থকা আস্থা আৰু সততাৰ স্বাক্ষৰ বহন কৰিছে।

## —ঃ আক্ৰান্ত দক্ষিণ ঃ—

যদি গভীৰ বিশ্বাসৰ আন্তৰিকতাত, তুমি মোক সোধা
বন্ধু, মানুহে কোৱা অগণিত শব্দৰ মাজত
কোনটিয়ে তোমাক কণ্ঠ দিয়ে আটাইতকৈ বেছি ?
মোৰ অন্তৰ প্ৰদেশৰ পৰা এটাই মাথো উত্তৰ আছে ঃ
দক্ষিণঃ মোৰ আক্ৰান্ত দক্ষিণ……

যদি আলফুল মৰমৰ তাড়নাত, তুমি মোক সোধা
প্ৰিয় মোৰ, তুমি জনা হাজাৰ বিজাৰ নামৰ,
কোনটিয়ে তোমাক অনুপ্ৰাণিত কৰে গভীৰ বিশ্বাসলৈ, প্ৰিয়তম ?
অন্তৰৰ গভীৰতাৰ পৰা ওলাই আহে মাথো সেই একেটা উত্তৰ ঃ
দক্ষিণ ঃ মোৰ আক্ৰান্ত দক্ষিণ……

তুমি জানিব খোজা, অৰুণ, ক'ত সেই সবাতোকৈ ধুনীয়া দেশ ?
য'ত নীলিম সলিল'ৰ স্বচ্ছ দাপোণত প্ৰতিবিম্বিত হয়
সেউজীয়া তাল আৰু নাৰিকলৰ পাত,
য'ত ধাননিয়ে সিঁচি দিছে সেউজীয়া বোল অসীম দিগন্ত জুৰি, ঃ
এয়াই দক্ষিণ দেশ—মোৰ আক্ৰান্ত দক্ষিণ……

স্নেহৰ দক্ষিণ দেশ, এতিয়াও কম্পিত কিয় মোৰ বুকু
সন্ধিয়াৰ নীড়মুখী পখিটি দেখি,
অথবা মাজ নিশা বতাহৰ চৌৱে চৌৱে স্পন্দিত 'দান বাও'ৰ সকৰুণ সুৰত,
কিম্বা নৈৰ বুকুৰ পৰা ৰিণি ৰিণি ভাঁহি অহা নাৱৰীয়াৰ গীতত ?
কিয় মোৰ সুখময় দিনবোৰ আতঙ্কেৰে ভৰা ?

কিয় মই চিৰকাল বিভ্ৰান্ত, কিয় মই তাড়িত
এটি প্ৰতিজ্ঞাৰ দ্বাৰা এতিয়াও মি হোৱা নাই পালিত ?
ভাতৰ গৰাহ মুখত ললেই ডিঙি মোৰ ঠেক হৈ যায় কিয় ?